সৰুপথাৰ মহাবিদ্যালয়
স্থাপিত ঃ ১৯৭০ চন
SARUPATHAR COLLEGE

# প্ৰতিবিম্ব ই-বাৰ্তা The Reflection

তৃতীয় বছৰ, প্ৰথম সংখ্যা (ফেব্ৰুৱাৰী-মাৰ্চ), ২০২৬, সৰুপথাৰ মহাবিদ্যালয়

সৰুপথাৰ মহাবিদ্যালয় প্ৰকাশন কোষৰ দ্বাৰা প্ৰকাশিত।। তৃতীয় বছৰ, প্ৰথম সংখ্যা।। মাহেকীয়া ই-বাৰ্তা, ৩১ মাৰ্চ, ২০২৬, মঙ্গলবাৰ

## সৰুপথাৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত 'বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা' আৰু 'বঁটা বিতৰণী সভা'

সৰুপথাৰ সমজিলাৰ উচ্চশিক্ষাৰ বটবৃক্ষ সৰুপথাৰ মহাবিদ্যালয়। 'যাত্ৰা অসীম অনন্ত' বাণীৰে সৰুপথাৰ সমজিলাত জিলিকি ৰোৱা সৰুপথাৰ মহাবিদ্যালয়খনে সৃষ্টি কৰি আহিছে মানৱ সম্পদ। ১৯ জানুৱাৰী ২০২৬ তাৰিখৰ পৰা সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত বাৰ্ষিক ক্ৰীড়া সপ্তাহ ২০২৫-২৬ আৰম্ভ হৈছিল। ১৯ জানুৱাৰীৰ পৰা ২৬ জানুৱাৰীলৈ অনুষ্ঠিত হোৱা বাৰ্ষিক ক্ৰীড়া সপ্তাহত ছাত্ৰ-ছাত্ৰীসকলে ক্ৰীড়া, সাহিত্য, সংগীত, নৃত্য ইত্যাদি দিশত স্বপ্ৰতিভা উজ্জীৱিত কৰিবলৈ সুযোগ লাভ কৰিছিল। সৰুপথাৰ মহাবিদ্যালয়ৰ ২০২৫-২৬ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ সৈতে সংগতি ৰাখি ছাত্ৰ একতা সভাৰ উদ্যোগত ৭ ফেব্ৰুৱাৰী তাৰিখে এটি 'বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা'ৰ আয়োজন কৰা হয়। মহাবিদ্যালয় বাকৰিৰ পৰা সৰুপথাৰ নগৰলৈ উলিওৱা শোভাযাত্ৰাত সৰুপথাৰ মহাবিদ্যালয়ৰ মুঠ আঠটা বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। প্ৰতিটো বিভাগৰে বিষয় নিৰ্বাচন আৰু প্ৰদৰ্শন আছিল অতি সুন্দৰ। বিভাগ অনুসৰি বিষয়সমূহ আছিল ক্ৰমে অসমীয়া বিভাগ *'জনসমাজৰ পৰা বিশ্বদৰবাৰলৈ'*, অৰ্থনীতি বিভাগ *'সত্ৰনগৰী বৰপেটাৰ সংস্কৃতি'*, বুৰঞ্জী বিভাগ *'ধনশিৰি আৰু ধনশিৰি পৰীয়া ঐতিহ্য'*, ৰাজনীতি বিজ্ঞান বিভাগ *'অসমীয়া সমাজৰ বিবাহ পৰম্পৰা'*, শিক্ষাতত্ব বিভাগ *'মানৱ সভ্যতাৰ বিৱৰ্তন'*, ইংৰাজী বিভাগ *'অসমৰ পৰম্পৰাগত সংস্কৃতি'*, সমাজতত্ত্ব বিভাগ *'অসমৰ সংস্কৃতি'*, আৰু বাণিজ্য শাখা *'Exploring Dark Web'*। শোভাযাত্ৰাত প্ৰথম স্থান লাভ কৰে ৰাজনীতি বিজ্ঞান বিভাগে, দ্বিতীয় স্থান যুটীয়াভাৱে লাভ কৰে অসমীয়া বিভাগ আৰু ইতিহাস বিভাগে আৰু তৃতীয় স্থান যুটীয়াভাৱে লাভ কৰে অৰ্থনীতি বিভাগ আৰু শিক্ষাতত্ব বিভাগে। সমান্তৰালকৈ ছাত্ৰ একতা সভাৰ উদ্যোগত অনুষ্ঠিত হোৱা বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ প্ৰতিযোগিতাসমূহত স্থান লাভ কৰা প্ৰতিযোগীসকলক বঁটা বিতৰণ কৰা হয়। শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বিবেচিত হয় ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ মায়ঙ্ক আগৰৱাল, ছোৱালীৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে বিবেচিত হয় শিক্ষাতত্ব বিভাগৰ জয়শ্ৰী বৰা। মহাবিদ্যালয়খনৰ শ্ৰেষ্ঠ সংগীত প্ৰতিযোগী হিচাপে বিবেচিত অসমীয়া বিভাগৰ কৃষ্ণমণি দত্ত, শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী হিচাপে বিবেচিত হয় ইতিহাস বিভাগৰ দুলেশ্বৰ শইকীয়া। ইপিনে সৰ্বাধিক সোণৰ পদক লাভ কৰা ছাত্ৰ-ছাত্ৰীৰ পদকেৰে শ্ৰেষ্ঠ বিভাগ ২০২৬ হিচাপে জিলিকিল ইতিহাস বিভাগ।■



## সৰুপথাৰ মহাবিদ্যালয়ৰ উদ্যোগত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ মুকলি

৭ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখ, মাহৰ প্ৰথমটো শনিবাৰ। সৰুপথাৰ মহাবিদ্যালয়ৰ উদ্যোগ আৰু সৰুপথাৰ সমজিলা স্বাস্থ্য কেন্দ্ৰৰ সহযোগত মুকলি স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হয় সৰুপথাৰ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ত। সমান্তৰালকৈ ১৪ মাৰ্চ, ২০২৬ তাৰিখ, শনিবাৰে গোলাঘাট জিলাৰ সৰুপথাৰৰ অন্তৰ্গত ২ নং পদুমণি অংগনবাড়ী কেন্দ্ৰত এক গুৰুত্বপূৰ্ণ বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ সফলতাৰে সম্পন্ন হৈ যায়। উল্লেখ্য যে বছৰৰ প্ৰতিটো মাহৰ প্ৰথমটো শনিবাৰে সৰুপথাৰ সমজিলাৰ বিদ্যালয়, গ্ৰামাঞ্চলসমূহত ৰাইজৰ সুবিধাৰ্থে স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰি অহা হৈছে। সৰুপথাৰ মহাবিদ্যালয়ৰ উদ্যোগ আৰু সৰুপথাৰ সমজিলা স্বাস্থ্য কেন্দ্ৰৰ সহযোগত অনুষ্ঠিত হোৱা স্বাস্থ্য শিবিৰত ছাত্ৰ-ছাত্ৰীৰ লগতে বহু ব্যক্তিয়ে বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষা লাভ কৰাৰ লগতে ঔষধ লাভ কৰিছে। বছৰটোৰ প্ৰত্যেকটো মাহতেই সৰুপথাৰ মহাবিদ্যালয়ৰ বিশেষ উদ্যোগত আৰু সৰুপথাৰ সমজিলা স্বাস্থ্য কেন্দ্ৰৰ সক্ৰিয় সহযোগত এই জনহিতকৰ কাৰ্যসূচীটোৰ আয়োজন কৰা হৈছে। শিবিৰত শিশুৰ পৰা বৃদ্ধলৈকে সকলোৰে বাবে সাধাৰণ স্বাস্থ্য পৰীক্ষা, ৰক্তচাপ নিয়ন্ত্ৰণ, আৰু বিভিন্ন ৰোগৰ পৰামৰ্শ প্ৰদান কৰা হয়। সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰৰ প্ৰচেষ্টাত আৰু অসমীয়া বিভাগত মুৰব্বী অধ্যাপক ড° ববিতা দত্তৰ তত্ত্বাৱধানত বিগত দুটা বছৰে সৰুপথাৰ সমজিলাত এই কাৰ্যসূচী গ্ৰহণ কৰি অহা হৈছে।■



## আন্তৰ্জাতিক মাতৃভাষা দিৱস উদ্‌যাপন আৰু গ্ৰন্থ উন্মোচন

সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত, মহাবিদ্যালয় আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ (IQAC) আৰু সৰুপথাৰ শাখা সাহিত্য সভাৰ সহযোগত ২১ ফেব্ৰুৱাৰী ২০২৬ তাৰিখে 'আন্তৰ্জাতিক মাতৃভাষা দিৱস' মহাবিদ্যালয়ৰ মুহিকান্ত তামুলী প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° ববিতা দত্তই আঁত ধৰা অনুষ্ঠানটোৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে। অতিথিৰ সম্বৰ্ধনাৰ পাছতে আদৰণি ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে। প্ৰতিবছৰে মহাবিদ্যালয়ৰ অসমীয়া বিভাগে মাতৃভাষা দিৱস পালন কৰি আহিছে যদিও এইবাৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি বিস্তৃত কাৰ্যসূচীৰে এই অনুষ্ঠানৰ পৰিকল্পনা কৰা হৈছে বুলি অধ্যক্ষা মহোদয়াই মত পোষণ কৰে। আন্তৰ্জাতিক মাতৃভাষা দিৱসৰ সৈতে সংগতি ৰাখি ***'অসমীয়া ভাষা-সাহিত্যৰ ধ্ৰুপদী স্বৰূপঃ ঐতিহ্য আৰু ৰূপান্তৰ'*** বিষয়ক বক্তৃতাৰ এটি মনোজ্ঞ অনুষ্ঠান সম্পন্ন হয়। আজিৰ অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° বীনাপাণি দেৱী কটকী আৰু আউনীআটী বিশ্ববিদ্যালয়, যোৰহাট টীয়কৰ অধ্যাপক, জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়-যোৰহাটৰ সম্পাদক ড° জ্যোতিৰেখা হাজৰিকা। নৱপ্ৰজন্মৰ ভাষাৰ ক্ষেত্ৰত আহি পৰা সমস্যা, আধুনিকতাই আনি দিয়া নতুন নতুন শব্দৰ আমদানি, লোকসাহিত্যৰ স্বৰূপ, মাতৃভাষা শিক্ষাৰ প্ৰয়োজনীয়তা, ভাষাৰ সংৰক্ষণ আৰু বিচিত্ৰতা সম্পৰ্কত নিৰ্দিষ্ট বক্তা অধ্যাপক বীণাপাণি দেৱীয়ে সাৱলীল ভাষণ প্ৰদান কৰে। অধ্যাপক-গৱেষক জ্যোতিৰেখা হাজৰিকাই তেখেতৰ ভাষণত অসমীয়া ভাষাৰ ঐতিহ্য আৰু ৰূপান্তৰ সম্পৰ্কত তত্তগধুৰ বক্তব্য প্ৰদান কৰে। ভাষা এটাৰ স্বকীয় মৰ্যাদা ৰক্ষাত নৱপ্ৰজন্মৰ গুৰুদায়িত্ব আছে বুলিও মন্তব্য কৰে।



'আন্তৰ্জাতিক মাতৃভাষা দিৱস'ৰ দিনটোতে ছাত্ৰ একতা সভাৰ সম্পাদক বিবেক ৰানাৰ সম্পাদনা আৰু ড° ববিতা দত্তৰ তত্ত্বাৱধানত প্ৰকাশিত মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী ***'বাঙ্ময়'*** উন্মোচন কৰে যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° বীনাপাণি দেৱীয়ে। আলোচনীখন সুন্দৰ আৰু বিষয়সমূহ গুৰুত্বপূৰ্ণ বুলি তেখেতে মন্তব্য আগবঢ়ায়। ইয়াৰ লগতে মহাবিদ্যালয়ৰ শংকৰদেৱ অধ্যয়ন কেন্দ্ৰৰ সমন্বয়ক ড° ববিতা দত্তৰ দ্বাৰা সম্পাদিত ***'শংকৰদেৱ আৰু তেওঁৰ সৃষ্টি'*** বিষয়ক এখনি গ্ৰন্থ উন্মোচন কৰে ড° জ্যোতিৰেখা হাজৰিকাই। শংকৰদেৱ অধ্যয়ন কেন্দ্ৰৰ এই প্ৰয়াসৰ তেখেতে শলাগ লয়। সভাত উপস্থিত থাকে সৰুপথাৰ শাখা সাহিত্য সভাৰ সমূহ বিষয়ববীয়া, অসম সাহিত্য সভাৰ কাৰ্য্যবাহী সদস্য সূৰ্য গগৈ, সৰুপথাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মণিপ্ৰভা বৰা, সৰুপথাৰ ছোৱালী হাইস্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী, মহাবিদ্যালয়ৰ সকলো শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ -ছাত্ৰীসকল।■

## সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে গ্ৰহণ কৰে 'প্ৰাগ প্ৰেৰণা সন্মান' ২০২৬

সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে লাভ কৰে 'প্ৰাগ প্ৰেৰণা সন্মান' ২০২৬। প্ৰাগ নিউজৰ মঞ্চত ৭ মাৰ্চ ২০২৬ তাৰিখে অসমৰ মহামহিম ৰাজ্যপাল শ্ৰীযুত লক্ষ্মণ প্ৰসাদ আচাৰ্যদেৱ, প্ৰাগ নিউজৰ স্বত্বাধিকাৰী ড° সঞ্জীৱ নাৰায়ণ ডাঙৰীয়া, শ্ৰীপ্ৰশান্ত ৰাজগুৰু, শ্ৰীচন্দ্ৰশেখৰ শৰ্মা প্ৰমুখ্যে সন্মানীয় বিষয়ববীয়াসকল, ভিন্ন ক্ষেত্ৰৰ আঠগৰাকী 'প্ৰাগ প্ৰেৰণা সন্মান' প্ৰাপক বিশেষ মহিলা আৰু সন্মানীয় ব্যক্তিসকলৰ উপস্থিতিত সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰক তেখেতৰ অদম্য কৰ্মদক্ষতাৰ বাবে 'প্ৰাগ প্ৰেৰণা সন্মান' ২০২৬ প্ৰদান কৰা হয়। ■










## আন্তঃমহাবিদ্যালয় ভলীবল প্ৰতিযোগিতাত সৰুপথাৰ মহাবিদ্যালয় শিক্ষক গোট চূড়ান্ত বিজয়ী

গোলাঘাট জিলাৰ খুমটাইত অৱস্থিত জয়া গগৈ মহাবিদ্যালয়ত ০৯ ফেব্ৰুৱাৰী ২০২৬ তাৰিখে অনুষ্ঠিত হৈছিল অসম কলেজ শিক্ষক সংস্থা গোলাঘাট মণ্ডলৰ শিক্ষক-কৰ্মচাৰী আন্তঃমহাবিদ্যালয় ভলীবল প্ৰতিযোগিতা। অসম কলেজ শিক্ষক সংস্থা গোলাঘাট মণ্ডলৰ শিক্ষক-কৰ্মচাৰী আন্তঃমহাবিদ্যালয় ভলীবল প্ৰতিযোগিতাত সৰুপথাৰ মহাবিদ্যালয় চূড়ান্ত বিজয়ী হয়। গোলাঘাট কমাৰ্চ কলেজৰ আৰু সৰুপথাৰ মহাবিদ্যালয়ৰ মাজত অনুষ্ঠিত হোৱা চূড়ান্ত প্ৰতিযোগিতাখনত দুয়োটা দলে সুন্দৰ খেল প্ৰদৰ্শন কৰে। প্ৰতিযোগিতাখনত সৰুপথাৰ মহাবিদ্যালয়ে চূড়ান্ত বিজয় অৰ্জন কৰি একেৰাহে দ্বিতীয়বাৰৰ বাবে জয় লাভ কৰে। প্ৰতিযোগিতাত সৰুপথাৰ মহাবিদ্যালয়ৰ ড° ৰিদিপ খনিকৰে শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰাৰ লগতে ড° প্ৰেমকান্ত বৰাই শ্ৰেষ্ঠ লিফটাৰ বঁটা লাভ কৰে। প্ৰতিযোগিতাত চূড়ান্ত বিজয়ী খিতাপ অৰ্জন কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই অনা প্ৰশান্ত পোদ্দাৰৰ নেতৃত্বত ভলবল দলটিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে আনুষ্ঠানিক সম্বৰ্ধনা জনায়। দলটিত থকা খেলুৱৈসকল ক্ৰমে- প্ৰশান্ত পোদ্দাৰ (কেপ্তেইন), সত্যব্ৰত দত্ত, ড° প্ৰেমকান্ত বৰা, ড° ৰিদিপ খনিকৰ, হেমন্ত গগৈ, পৰাগ ভূঞা, ড° সন্ধান হাজৰিকা আৰু কাৰ্যালয় সহায়ক উৎপল সন্দিকৈ।■



## সৰুপথাৰ মহাবিদ্যালয়ত কাঠফুলা (মাশ্বৰুম) উৎপাদন কেন্দ্ৰৰ শুভাৰম্ভ

২ মাৰ্চ, ২০২৬ তাৰিখে যোৰহাটৰ বেচৰকাৰী সংস্থা 'কৃষ্টিৰ কঠীয়া'ৰ উদ্যোগ তথা তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ(ONGC) সহযোগত সৰুপথাৰ মহাবিদ্যালয়ত এটি কাঠফুলা (মাশ্বৰুম) উৎপাদন কেন্দ্ৰ আৰম্ভ কৰা হয়। এই কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থকা শ্ৰীপ্ৰদ্যুম্ন বৰাই ছাত্ৰ-ছাত্ৰীসকলক কাঠফুলাৰ উপকাৰিতাৰ লগতে উপাৰ্জনৰ এক লাভজনক আহিলা হিচাপে বিস্তৃত বৰ্ণনা আগবঢ়ায়। ছাত্ৰ-ছাত্ৰীসকলে অতি উৎসাহেৰে এই প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মহাবিদ্যালয়ৰ শিক্ষক ড° সন্ধান হাজৰিকাই আঁত ধৰা এই কাৰ্যসূচীত অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ, ড° ববিতা দত্ত, ৰিণি বেনাৰ্জী, জেৰী টিমুংপীৰ লগতে প্ৰকল্প সমন্বয়ক প্ৰাচুৰ্য বৰা, সমল-ব্যক্তিদ্বয় কাকুমণি শইকীয়া আৰু প্ৰবীণ বৰা উপস্থিত থাকে । তেওঁলোকে ছাত্ৰ-ছাত্ৰীসকলক কাঠফুলা উৎপাদনৰ প্ৰাৰম্ভিক কৌশল আৰু বিজ্ঞানসন্মত পদ্ধতিসমূহৰ বিষয়ে চমু আভাস দিয়ে। প্ৰশিক্ষণ কেন্দ্ৰটোৰ প্ৰথম দিনৰ কাৰ্যসূচীত মহাবিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অতি উৎসাহেৰে অংশগ্ৰহণ কৰে। থলুৱা পদ্ধতিৰে কেনেকৈ কম সময়ৰ ভিতৰত কাঠফুলা উৎপাদন কৰি উৎপাদনমুখী হ'ব পাৰি, সেই বিষয়ত ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ট কৌতুহল প্ৰকাশ কৰা পৰিলক্ষিত হয়।■



## সৰুপথাৰ মহাবিদ্যালয়ত বিশিষ্ট সাহিত্যিক ৰুমী লস্কৰ বৰাৰ বক্তৃতা অনুষ্ঠান

২০ মাৰ্চ, ২০২৬ তাৰিখে সৰুপথাৰ সমজলিৰ অগ্ৰণী শিক্ষানুষ্ঠান সৰুপথাৰ মহাবিদ্যালয়ত এক বৌদ্ধিক তথা সাহিত্যিক পৰিৱেশৰ সূচনা হয়। অসমৰ অন্যতম বিশিষ্ট ঔপন্যাসিক, অনুবাদক তথা গল্পকাৰ ৰুমী লস্কৰ বৰা মহাবিদ্যালয়খনত উপস্থিত হৈ এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অংশগ্ৰহণ কৰে। সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আয়োজিত এই বিশেষ অনুষ্ঠানটোৰ মূল বিষয় আছিল- *'সাম্প্ৰতিক অসমীয়া সাহিত্য'*। এই বক্তৃতানুষ্ঠানটি সম্পন্ন কৰাৰ বাবে উদ্যোগ গ্ৰহণ কৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° ববিতা দত্তই। অধ্যাপক ড° ববিতা দত্তই অনুষ্ঠানটিৰ আঁত ধৰি সাম্প্ৰতিক সাহিত্যৰ চৰ্চাত এনেধৰণৰ অনুষ্ঠানৰ প্ৰাসংগিকতাৰ বিষয়ে গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ শিক্ষকসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। ৰুমী লস্কৰ বৰাৰ দৰে এগৰাকী প্ৰতিষ্ঠিত সাহিত্যিকক কাষত পাই মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকল যথেষ্ট উৎসাহিত হোৱা পৰিলক্ষিত হয়। বক্তৃতাৰ অন্তত অনুষ্ঠিত হোৱা মত-বিনিময় অনুষ্ঠানত শিক্ষাৰ্থীসকলে সাহিত্যিকগৰাকীৰ সৈতে বিভিন্ন প্ৰশ্নোত্তৰত ভাগ লয়। সামগ্ৰিকভাৱে, এই অনুষ্ঠানটোৱে সৰুপথাৰ মহাবিদ্যালয়ৰ শৈক্ষিক আৰু সাংস্কৃতিক পৰিৱেশক এক নতুন মাত্ৰা প্ৰদান কৰে।■



## সৰুপথাৰ মহাবিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত চুঙাজানত আন্তৰ্জাতিক নাৰী দিৱস উদযাপন।

সৰুপথাৰ মহাবিদ্যালয়ৰ মহিলা কোষে গ্ৰাম্য অঞ্চলৰ উদ্যমী নাৰীক উৎসাহ আৰু প্ৰেৰণা যোগাবৰ বাবে অসম-নাগালেণ্ড সীমান্তৱৰ্তী ৰবং চুঙাজান দ-গাঁওখন নিৰ্বাচন কৰে। বৰ্তমান দ- গাঁৱৰ ৫০গৰাকী মহিলাই ONGC ৰ সহযোগত আৰু 'কৃষ্টিৰ কঠিয়া'ৰ উদ্যোগত প্ৰশিক্ষণ গ্ৰহণ কৰি কাঠফুলা উৎপাদন কৰিছে। উন্নত পদ্ধতিৰে কাঠফুলা খেতি কৰাৰ লগতে তেওঁলোক কুকুৰা, ছাগলী, গাহৰি পালন, বয়নশিল্প আদি বিভিন্ন কামত নিয়োজিত হৈ নিজৰ লগতে পৰিয়ালক আৰ্থিকভাৱে সকাহ দিবলৈ সক্ষম হৈছে। কাঠফুলাৰ পৰা বিভিন্ন বিস্কুট, আচাৰ, কেক আদি প্ৰস্তুত কৰি বজাৰত সমাদৰ পাবলৈ সক্ষম হৈছে। বিশেষকৈ চলিত বছৰটো 'International year of Women Farmer' হিচাপে নিৰ্ধাৰণ কৰা হৈছে, ঘৰে পথাৰে কৰ্মৰত মহিলাক অনুপ্ৰাণিত কৰাই ইয়াৰ উদ্দেশ্য। 'আন্তৰ্জাতিক নাৰী দিৱস' উপলক্ষে সৰুপথাৰ মহাবিদ্যালয় মহিলা কোষৰ তৰফৰ পৰা ৮ মাৰ্চ তাৰিখে তেওঁলোকৰ কাম-কাজৰ পৰিদৰ্শন কৰাৰ লগতে দুগৰাকী উদ্যমী মহিলা চুঙাজান দ গাঁৱৰ ৰীতা দত্ত আৰু সৰুপথাৰ বাৰেঘৰীয়া গাঁৱৰ কাকুমণি শইকীয়াক গামোচা, সম্বৰ্ধনা পত্ৰ আৰু উপহাৰেৰে সম্বৰ্ধনা জনোৱা হয়। 'International year of Women Farmer' - এই সম্পৰ্কে আলোচনা কৰি অনুষ্ঠানত মহিলাসকলক উদ্দেশ্যি প্ৰেৰণাদায়ক বক্তব্য ৰাখে মহাবিদ্যালয়ৰ মহিলা কোষৰ উপ-সভাপতি আৰু সহযোগী অধ্যাপক ড° ববিতা দত্তই। সৰুপথাৰ মহাবিদ্যালয়ৰ মহিলা কোষৰ আহ্বায়ক, সহকাৰী অধ্যাপক ৰিণি বেনাৰ্জী, মহাবিদ্যালয়ৰ মহিলা কোষৰ সদস্য আৰু সহকাৰী অধ্যাপক তৃস্মিতা বড়া আৰু মেৰিলিন ইংতিপিয়ে অনুষ্ঠানত অংশগ্ৰহণ কৰি সহযোগিতা আগবঢ়ায়।■



## ছাত্ৰ-ছাত্ৰীৰ সাফল্য

যাত্ৰা অসীম অনন্ত... ছাত্ৰ-ছাত্ৰীৰ সাফল্য

### সৰুপথাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী নিশামণি বৰাৰ সাফল্য

গোৱা পৰ্যটনৰ উদ্যোগত ১৮-২২ মাৰ্চ, ২০২৬ তাৰিখলৈ গোৱাত অনুষ্ঠিত All India Windsurfing and kiteboarding চেম্পিয়নশ্বিপত IQ Windsurfing মহিলা শাখাত অসমক প্ৰতিনিধিত্ব কৰি সৰুপথাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী নিশামণি বৰাই দ্বিতীয় স্থানেৰে ৰূপৰ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। স্বাভাৱিকতেই এই দুঃসাহসিক ক্ৰীড়াত নিশামণিৰ ধাৰাবাহিক সফলতাই সৰুপথাৰ মহাবিদ্যালয় পৰিয়ালবৰ্গক গৌৰৱান্বিত কৰাৰ লগতে উৎফুল্লিত কৰিছে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ মহোদয়ে নিশামণিলৈ অভিনন্দন আৰু শুভেচ্ছা জনায়।■

### 'খেলো ইণ্ডিয়া'ৰ অন্তৰ্গত ট্ৰাইবেল গে'মছত সৰুপথাৰ মহাবিদ্যালয়ৰ দুগৰাকী খেলুৱৈৰ সাফল্য

২৫ মাৰ্চৰ পৰা ২৯ মাৰ্চ, ২০২৬ লৈকে ছত্তিছগড়ৰ ৰাইপুৰত অনুষ্ঠিত 'খেলো ইণ্ডিয়া'ৰ অন্তৰ্গত ট্ৰাইবেল গে'মছত সৰুপথাৰ মহাবিদ্যালয়ৰ চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰী ডুংখাম ছেং টুৰুঙে ৬৩ কেজিৰ শাখাত ব্ৰঞ্জৰ পদক আৰু দ্বিতীয় ষান্মাসিকৰ ছাত্ৰ মানস প্ৰতিম সোণোৱালে পুৰুষৰ ১১০ কেজি শাখাত ব্ৰঞ্জৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। এই দুয়োগৰাকী ছাত্ৰ-ছাত্ৰীৰ সাফল্যত মহাবিদ্যালয় পৰিয়ালবৰ্গ গৌৰান্বিত।■

### কাজিৰঙা বিশ্ববিদ্যালয়ত সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সাফল্য

১৮ মাৰ্চ, ২০২৬ তাৰিখে যোৰহাটৰ কাজিৰঙা বিশ্ববিদ্যালয়ত অনুষ্ঠিত **'প্ৰয়ত্ন'** শীৰ্ষক এলানি মহাবিদ্যালয়/বিশ্ববিদ্যালয় পৰ্যায়ৰ প্ৰতিযোগিতাত সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে Vision With A Missionত প্ৰথম পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। চাৰিজনীয়া এই দলটোৰ ছাত্ৰ-ছাত্ৰীকেইজন আছিল বুৰঞ্জী বিভাগৰ দুলেশ্বৰ শইকীয়া, কুলদীপ গগৈ, সৰিতা চৌৰংগী আৰু পৰিস্মিতা বৰা। তত্ত্বাৱধায়কদ্বয় যুগল মেধি, কাকুমণি গগৈৰ লগতে ছাত্ৰ-ছাত্ৰীকেইগৰাকীলৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ মহোদয়ে আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে । এই প্ৰতিযোগিতাত মুঠতে পোন্ধৰখন মহাবিদ্যালয় আৰু এখন বিশ্ববিদ্যালয়ে অংশগ্ৰহণ কৰিছিল। উল্লেখযোগ্য যে ২০২৫ বৰ্ষটো Vision With A Mission শীৰ্ষক প্ৰতিযোগিতাত সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। ■



# সৰুপথাৰ মহাবিদ্যালয়ৰ দুগৰাকী সহকাৰী অধ্যাপকৰ সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ

সৰুপথাৰ মহাবিদ্যালৰ বুৰঞ্জী বিভাগৰ সহকাৰী অধ্যাপক সন্ধান হাজৰিকাই অসম বিশ্ববিদ্যালয়ৰ পৰা "History of Assamese Film Music (1935-2000 A.D): Continuity and Changes" শীৰ্ষক বিষয়ত লাভ কৰে সন্মানীয় ডক্টৰেট ডিগ্ৰী। সমান্তৰালকৈ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক জয়শ্ৰী বৰদলৈয়ে তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ পৰা "Penetration of Market Forces and Their Impact on Livelihood Pattern of Ginger Growers in Assam"শীৰ্ষক বিষয়ত লাভ কৰে সন্মানীয় ডক্টৰেট ডিগ্ৰী। সৰুপথাৰ মহাবিদ্যালয় পৰিয়ালৰ হৈ দুয়োগৰাকীলৈকে অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জনায়।■

# শিক্ষামূলক ভ্ৰমণ

## প্ৰাচীন সমলেৰে পৰিপূৰ্ণ সৰুপথাৰ সমজিলাৰ টেঙানী অঞ্চলত ক্ষেত্ৰ অধ্যয়ন বুৰঞ্জী বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ

*"সৰুপথাৰ সমজিলাৰ আলিচিঙা টেঙানি অঞ্চলৰ ঐতিহাসিক সূৰ্য মন্দিৰ। ১৯৬৭ চনতে উদ্ধাৰ হৈছিল সূৰ্য দেৱতাৰ মূৰ্তি। টেঙানিৰ সূৰ্য দেৱতাৰ মূৰ্তিত দেখা যায় সূৰ্য দেৱতাই সাতটা ঘোঁৰাই টনা ৰথত গৈ থকা দৃশ্যৰ লগতে সূৰ্য দেৱতাৰ কাষত দুই সংগী সংজ্ঞা আৰু ছায়া।"*





উত্তৰ-পূৰ্বাঞ্চলত খুবেই বিৰল সূৰ্য দেৱতাৰ মূৰ্তি। কছাৰী ৰজা দিনীয়া আলিচিঙা টেঙানি অঞ্চলৰ এই ঐতিহাসিক সূৰ্য মন্দিৰ। গোলাঘাট জিলাৰ দৈয়াং-ধনশিৰি অঞ্চলটো প্ৰাচীন সমলেৰে পৰিপূৰ্ণ। কছাৰী ৰজাদিনীয়া বহু প্ৰত্নতাত্ত্বিক ভগ্নাৱশেষ, শিলালিপি, মঠ-মন্দিৰ, পুখুৰী আদিৰে ভৰপূৰ ধনশিৰি উপত্যকা। সৰুপথাৰ সমজিলাৰ ইতিহাস প্ৰসিদ্ধ স্থানসমূহ গৱেষকসকলৰ বাবে এক বিৰাট সম্ভাৱনাৰ ক্ষেত্ৰ মুকলি হৈ আহিছে। সম্প্ৰতি এই স্থানসমূহলৈ ক্ষেত্ৰ অধ্যয়নৰ বাবে মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰ পৰা ছাত্ৰ-ছাত্ৰী, গৱেষকসকল অহা পৰিলক্ষিত হৈছে। ক্ষেত্ৰ অধ্যয়নৰ বাবে ২১ ফেব্ৰুৱাৰী ২০২৬ তাৰিখ, শুক্ৰবাৰে টেঙানি অঞ্চলত উপস্থিত হৈছিল সৰুপথাৰ মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ লগতে বিভাগটোৰ অধ্যাপকসকল। বিদ্যায়তনিক দিশৰ লগত সংগতি ৰাখি ইতিহাসপ্ৰসিদ্ধ স্থানত ক্ষেত্ৰ অধ্যয়ন কৰে স্নাতক বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলে।■

## সৰুপথাৰ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সতীৰ্থ সন্মিলন (Politica: The Satirtha Sanmilan)

২৮ ফেব্ৰুৱাৰী ২০২৬ তাৰিখে শৈক্ষিক পৰিৱেশৰ মাজৰ পৰা আহি প্ৰকৃতিৰ বুকুত সতীৰ্থৰ সৈতে কিছু সময় অতিবাহিত কৰাৰ লক্ষ্যৰে সৰুপথাৰ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে সতীৰ্থ সন্মিলন (Politica: The Satirtha Sanmilan) অনুষ্ঠিত হয়। কাৰ্বি আংলং জিলাৰ অতি মনোৰম পৰ্যটন স্থলী দেওপানীত এই সন্মিলনখনৰ আয়োজন কৰা হয়। উক্ত স্থানতেই আছে ঐতিহ্যমণ্ডিত দেওপানী দুৰ্গা মন্দিৰ। শৈক্ষিক ব্যস্ততাৰ মাজতে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ মাজত এক সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক গঢ়ি তোলাৰ মানসেৰে এই ভ্ৰমণ তথা সন্মিলনৰ কাৰ্যসূচী হাতত লোৱা হৈছিল। দেওপানী দুৰ্গা মন্দিৰ, সেউজীয়া পাহাৰৰ নান্দনিক পৰিৱেশত বিভাগৰ সতীৰ্থসকল একগোট হৈ দিনটো অতি উলহ-মালহেৰে উদযাপন কৰে। সতীৰ্থ সন্মিলনত ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰায় ৭৫ গৰাকী ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শিক্ষাৰ্থীসকলক উৎসাহিত কৰিবলৈ তেওঁলোকৰ সৈতে উপস্থিত থাকে ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক তথা মহাবিদ্যালয়ৰ উপাধ্যক্ষ শ্ৰীযুত জয়ন্ত বৰা, সন্মানীয় অধ্যাপক ড° ৰিদিপ খনিকৰ, অধ্যাপিকা মেৰিলিন ইংতিপি। সন্মিলনৰ আৰম্ভণিতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন মননশীল আলোচনা অনুষ্ঠিত হয়। জ্যেষ্ঠ আৰু কনিষ্ঠ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অভিজ্ঞতা বিনিময় হোৱাৰ লগতে শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিক আৰু সামাজিক দিশত আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত কৰে। দেওপানীৰ প্ৰাকৃতিক শোভা উপভোগ কৰাৰ লগতে বহুতো ছাত্ৰ-ছাত্ৰীয়ে গীত-মাত আৰু নৃত্যৰে পৰিৱেশটো জীপাল কৰি তোলে। সন্মিলনৰ শেষত বিভাগৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলে মিলি এক প্ৰীতি ভোজৰ আয়োজন কৰে। সকলোৱে একেলগে ভোজন কৰি একতাৰ এক সুন্দৰ নিদৰ্শন দাঙি ধৰে। দিনজোৰা এই কাৰ্যসূচীয়ে শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজৰ দূৰত্ব হ্ৰাস কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বন্ধুত্বৰ এনাজৰীডাল অধিক কটকটীয়া কৰাত সহায় কৰিব বুলি বিভাগীয় মুৰব্বী জয়ন্ত বৰাই আশা প্ৰকাশ কৰে। শেষত, এক আনন্দদায়ক স্মৃতি বুকুত বান্ধি বিয়লি বেলা সতীৰ্থ সন্মিলনৰ সফল সামৰণি পৰে।■

## কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু কাজিৰঙা জাতীয় অৰ্কিড উদ্যানত শিক্ষামূলক ভ্ৰমণ অসমীয়া বিভাগৰ

*জীৱ-জন্তুৰ প্ৰতি সমাজত বিভিন্ন সময়ত হোৱা অত্যাচাৰ, শোষণ, অমানৱীয়তা, নিৰাশ্ৰয় ইত্যাদি দিশসমূহৰ ওপৰতো ছাত্ৰ-ছাত্ৰীসকলে ৰাষ্ট্ৰীয় উদ্যানখনৰ পৰা সজাগতাৰ আদৰ্শ গ্ৰহণ কৰিব পাৰিছে।*





সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু কাজিৰঙা জাতীয় অৰ্কিড উদ্যানত শিক্ষামূলক ভ্ৰমণ কৰে। ১২ ফেব্ৰুৱাৰী তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত তত্বাৱধায়ক ড° অমৰ শইকীয়া, কাৰ্যালয় সহায়ক যুগল মেধিৰ তত্বাৱধানত ২৮ জনীয়া ছাত্ৰ-ছাত্ৰীৰ এটা দলে শিক্ষামূলক ভ্ৰমণ কৰে। আনুষ্ঠানিক শিক্ষাৰ সমান্তৰালকৈ ছাত্ৰ-ছাত্ৰীসকলক ক্ষেত্ৰভিত্তিক অধ্যয়ন, শিক্ষামূলক ভ্ৰমণৰ যোগেদি জ্ঞান আহৰণ ইত্যাদি দিশত অসমীয়া বিভাগে উদ্যোগ গ্ৰহণ কৰি আহিছে। বৃহস্পতিবাৰে অসমীয়া বিভাগৰ ২৮ জনীয়া ছাত্ৰ-ছাত্ৰীৰ দলে কাজিৰঙা জাতীয় অৰ্কিড উদ্যান, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰে। প্ৰথমেই তেওঁলোকে কাজিৰঙা জাতীয় অৰ্কিড উদ্যানত অৰ্কিডৰ প্ৰজাতি, ধানৰ কেইবাটাও প্ৰজাতি, অসমীয়া সমাজত প্ৰচলিত ১০১ বিধ শাকৰ বাগিচা, অসমীয়া লোক-বাদ্য, জনগোষ্ঠীয় সাজ-পাৰ, সংগ্ৰহালয় আদি পৰিদৰ্শন কৰাৰ লগতে তথ্য সংগ্ৰহ কৰে। ইয়াৰ পিছতেই ছাত্ৰ-ছাত্ৰীসকলে এশিঙীয়া গড়ৰ বাবে বিখ্যাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰি উদ্যানত থকা সংৰক্ষিত জীৱ-জন্তুসমূহ প্ৰত্যক্ষ কৰে। লগতে জীৱ-জন্তুৰ প্ৰতি মানুহে গ্ৰহণ কৰিবলগীয়া দায়িত্ববোধৰ প্ৰতি সজাগ বৃদ্ধি হয়। জীৱ-জন্তুৰ প্ৰতি সমাজত বিভিন্ন সময়ত হোৱা অত্যাচাৰ, শোষণ, অমানৱীয়তা, নিৰাশ্ৰয় ইত্যাদি দিশসমূহৰ ওপৰতো ছাত্ৰ-ছাত্ৰীসকলে ৰাষ্ট্ৰীয় উদ্যানখনৰ পৰা সজাগতাৰ আদৰ্শ গ্ৰহণ কৰিব পাৰিছে। সমান্তৰালভাৱে ৰাষ্ট্ৰীয় উদ্যানখনত পৰ্যটকৰ সুবিধাৰ্থে জীপ ছাফাৰিৰ যোগেদি স্থানীয় ব্যক্তিৰ নিয়োগ পোৱা বিষয়েও তেওঁলোক অৱগত হয়। পূৰ্বনিৰ্ধাৰিত প্ৰশ্নসূচী অনুসৰি জৈৱ-বৈচিত্ৰ আৰু সংৰক্ষণৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলে স্থানীয় ব্যক্তিৰ সৈতে আলোচনা কৰে। ইয়াৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলে আলোচনাপত্ৰ প্ৰস্তুত কৰি সমল ব্যক্তিৰ সন্মুখত দাঙি ধৰিব পাৰিব। সমান্তৰালকৈ কাজিৰঙা জাতীয় অৰ্কিড আৰু জৈৱ-বৈচিত্ৰ উদ্যানত অৰ্কিড সম্পৰ্কে জ্ঞান লাভ কৰাৰ উপৰিও অসমৰ সাংস্কৃতিক দিশত জাতি-জনগোষ্ঠীয় বহু যুৱক-যুৱতী জড়িত হৈ বৃত্তিমুখী হোৱাৰ বিষয় ছাত্ৰ-ছাত্ৰীসকল অৱগত হয়।■

# আলোকচিত্ৰ





ৰাজনীতি বিজ্ঞান বিভাগৰ সতীৰ্থ সন্মিলন



মহাবিদ্যালয় সপ্তাহ ২০২৬ বৰ্ষৰ শ্ৰেষ্ঠ বিভাগ
ইতিহাস বিভাগ



'খেলো ইণ্ডিয়া'ৰ অন্তৰ্গত ট্ৰাইবেল গেʼমছত সৰুপথাৰ মহাবিদ্যালয়ৰ চতুৰ্থ ষাণ্মাসিকৰ ছাত্ৰী ডুংখাম জেং টুকৰেঙে ৬৩ কেজিৰ শাখাত ৰঞ্জৰ পদক বিজয়ী




'খেলো ইণ্ডিয়া'ৰ অন্তৰ্গত ট্ৰাইবেল গেʼমছত সৰুপথাৰ মহাবিদ্যালয়ৰ দ্বিতীয় ষাণ্মাসিকৰ ছাত্ৰ মানস প্ৰতিম সোণোৱালে পুৰুষৰ ১১০ কেজি শাখাত ৰঞ্জৰ পদক অৰ্জন

# English Section

## Gender Audit Presentation Held at Sarupathar College

The Gender Audit Presentation Programme of Sarupathar College, covering the academic sessions 2021–22 to 2024–25, was successfully conducted at the IQAC Office of the college. The programme was organized by the Internal Quality Assurance Cell (IQAC) in collaboration with the Institution's Innovation Council (IIC). The session was held in the presence of external auditors Dr. Bulbuli Baruah, Principal of HPB Girls' College, Golaghat, and Ms. Tribeni Chetia, Advocate, Sarupathar. It was attended by the Principal of the college, IQAC Coordinator, the Secretary of the Women Cell, and the Convenor of IIC.



The Gender Audit Report was prepared by the Gender Audit Preparation Committee, comprising faculty members from the Departments of Economics and Sociology. The report was presented by Ms. Karabi Biswas and Dr. Tanisha Gogoi on behalf of the committee. During the session, the external auditors critically examined the data, reviewed the methodologies adopted for data collection, and assessed the institution's efforts to promote a gender-neutral campus environment. They also provided valuable suggestions for further improvement. The programme concluded with a formal vote of thanks delivered by IQAC Coordinator Dr. Ridip Khanikar.■

## Vice Chancellor Prof. G. Singaiah Delivers Inspiring Lecture at Sarupathar College

A lecture programme was organized at Sarupathar College featuring Prof. G. Singaiah, the Honourable Vice Chancellor of Birangana Sati Sadhani Rajjik Vishwavidyalaya. Prof. Singaiah visited the college on March 13 and was warmly received by the Principal in the presence of faculty members at the Principal's office. The programme was followed by an interactive session with students in the college auditorium.



In his lecture, Prof. Singaiah shared his experiences of working in Assam, highlighting the state's rich and unique culture and traditions. He also encouraged students to pursue higher studies and informed them about the various academic courses and opportunities available at his university. The session proved to be both informative and motivational, leaving a positive impact on the students and faculty members present.■

## Certificate Distribution Ceremony Held for Rupcharcha Course

A certificate distribution ceremony for a three-month professional course on Rupcharcha was organized by the Women Cell of the Sarupathar College Teachers' Unit on March 26, 2026 in the College Conference Hall. The event was chaired by Principal Dr. Prapti Thakur in presence of Vice Principal Jayanta Bora, IQAC Coordinator Dr. Ridip Khanikar, and course trainer Runu Bora. Also present were Teachers' Unit President Porag Bhuyan and Secretary Bipul Das, along with members of the Women Cell and trainees of the course.



The programme was hosted by Dr. Bobita Dutta, who highlighted the importance of skill-based professional training for women's empowerment. Certificates were distributed among the successful trainees, marking the completion of the course. The event concluded with words of encouragement from the dignitaries, emphasizing the value of such initiatives in promoting self-reliance and vocational skills. ■

## Department of Commerce successfully organized an educational trip to Umrangso Lake and Panimur

The Department of Commerce successfully organized an educational trip to Umrangso Lake and Panimur on 11th March, 2026. The trip was conducted under the guidance and supervision of esteemed faculty members - Mr. Hemanta Gogoi, Miss Anjali Yadav and Miss Farhana Begum with the objective of providing students an opportunity to gain practical exposure, enhance their understanding beyond classroom learning, and foster team spirit.



The journey commenced early in the morning with great enthusiasm among the participants. Upon reaching Umrangso Lake, students were introduced to the geographical and economic significance of the region. The scenic beauty of the lake, surrounded by hills and lush greenery, offered an enriching learning environment. Faculty members highlighted the importance of such natural resources and their contribution to tourism and local economic development.

One of the most engaging aspects of the visit was the recreational activities organized at the lake. Students and faculty members actively participated in boat riding, which not only provided relaxation but also added an element of excitement to the trip. Subsequently, the group proceeded to Panimur, often regarded as one of the most picturesque locations in the region. The visit offered insights into the natural water systems and their potential for eco-tourism. Students were able to observe and appreciate the natural landscape while understanding its relevance in sustainable development.

The trip successfully blended education with recreation. The overall atmosphere was lively, and the event proved to be both informative and enjoyable -a perfect balance of learning, exploration, and entertainment. Overall, the trip not only enhanced students' knowledge but also contributed to their holistic development through experiential learning. Such programs are essential in fostering a holistic educational experience and should be encouraged in the future.■

## Special Lecture on the History of Congress Split and the Role of Mahatma Gandhi

On 1st April 2026, a special lecture was organized by the Department of History at Sarupathar College. The lecture was delivered by Dr. Amiyo Kr. Das, Principal of Joya Gogoi College, Khumtai, Golaghat. The program was held in the Digital Classroom of Sarupathar College.

The topic of the lecture was "The History of Congress Split and the Role of Mahatma Gandhi." In his insightful presentation, Dr. Das explained the historical background of the split within the Indian National Congress and highlighted the political circumstances that led to the division. He discussed the ideological differences among leaders and the impact of these differences on the Indian freedom movement.

Dr. Das also elaborated on the significant role played by Mahatma Gandhi in shaping the direction of the Congress and maintaining unity among its members. He emphasized Gandhi's philosophy of non-violence and truth, which greatly influenced the strategies and ideals of the national movement. The lecture was highly informative and engaging for the students and faculty members present. Participants gained valuable insights into an important phase of India's political history. The session concluded with an interactive discussion where students asked questions and shared their views on the topic. The program proved to be a successful academic event, enriching the knowledge of students and encouraging a deeper understanding of the historical developments within the Indian National Congress. The Department of History expressed gratitude to Dr. Amiyo Kr. Das for delivering such an enlightening lecture.

প্ৰতিবিম্ব ই-বাৰ্তাৰ এই সংখ্যাৰ সম্পাদনা সমিতিঃ
মুখ্য উপদেষ্টাঃ ড° প্ৰাপ্তি ঠাকুৰ
উপদেষ্টাঃ ড° ববিতা দত্ত
সম্পাদকঃ সত্যব্ৰত দত্ত
সম্পাদক (ইংৰাজী শাখা)ঃ তৃস্মিতা বড়া
সহঃ সম্পাদকঃ যুগল মেধি, কাৰিকৰী ব্যৱস্থাপনা ঃ যুগল মেধি